# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-June-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১।  অসম-নাগালেণ্ড সীমান্তত তেল আৰু গেছ্‌ৰ অন্বেষণৰ বাবে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

২।  ৰাজ্য চৰকাৰে অহা ৫ বছৰত প্ৰদান কৰিবলগীয়া ২ লাখ নিযুক্তিৰ ৪০ শতাংশ শিক্ষা খণ্ডত হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

৩।  ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা বিদ্যালয়সমূহ একত্ৰীকৰণৰ বাবে শিক্ষা বিভাগৰ সিদ্ধান্ত গ্ৰহণ।

৪। ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলৰ ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চল পৰিদৰ্শন কৰি সামগ্ৰিক পৰিস্থিতিৰ পৰ্যালোচনা।

*আৰু*

৫।  মেক্সিকোৰ এজ্‌টেকা ষ্টেডিয়ামত বিশ্বকাপ ফুটবলৰ উদ্বোধনী খেলত যোৱা নিশা দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে সহ আয়োজক দেশ মেক্সিকোৰ ২-০ গ'লত জয়লাভ।

০০০০০০

অসম-নাগালেণ্ড সীমান্তত তেল আৰু গেছ্‌ৰ অন্বেষণৰ বাবে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত কালি নতুন দিল্লীৰ  কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ত এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু কেন্দ্ৰীয় কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰী উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত কয়, যে এই ঐতিহাসিক চুক্তিৰ ফলত অসম আৰু নাগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলৰ এহেজাৰ বৰ্গ কিলোমিটাৰতকৈ অধিক এলেকাত থকা তেল, গেছ্‌ আৰু খনিজ সম্পদৰ অন্বেষণ তথা উৎপাদনৰ নতুন দুৱাৰ মুকলি হ'ব। এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলক মূল চালিকাশক্তি হিচাপে লৈ ভাৰতবৰ্ষক শক্তিখণ্ডত স্বাৱলম্বী কৰি তোলাৰ যাত্ৰাত নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত আৰু সুৰক্ষিত ভাৰত গঢ়াৰ পথ বাধা হৈ থকা পুৰণি তথা জটিল সমস্যাসমূহ সমাধান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ আৰু খনিজ সম্পদৰ অন্বেষণৰ চুক্তিখনেই ইয়াৰ প্ৰমাণ। চুক্তি সম্পাদনাৰ লগে লগে উত্তৰ-পূব অৰ্থাৎ অষ্টলক্ষ্মী অঞ্চলৰ বাবে নতুন যুগৰ আৰম্ভণি ঘটিল বুলি তেওঁ মন্তব্য কৰে।

বাইট

চুক্তি স্বাক্ষৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ স্বাধীন ভাৰতৰ ইতিহাসত সঁচাকৈ বিৰল। তেওঁ কয়, যে অঞ্চলটোত শান্তি প্ৰতিষ্ঠাৰ লক্ষ্যৰে ২০১৯ চনৰ পৰা এতিয়ালৈ ১২ খন চুক্তি সম্পাদন হৈছে। অহা বছৰৰ ভিতৰত কেইখনমান ৰাজ্যৰ বাহিৰে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন - আফ্‌স্পা প্ৰত্যাহাৰ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

বাইট

উল্লেখযোগ্য যে অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ বৃহৎ ভাণ্ডাৰ আছে বুলি অনুমান  কৰা হৈছে। অঞ্চলটোত মূল্যবান হাইড্ৰ' কাৰ্বনৰো ভাণ্ডাৰ আছে বুলি জনা যায়। দুয়োখন ৰাজ্যৰ মাজত দীৰ্ঘদিনীয়া সীমা বিবাদৰ বাবে এতিয়ালৈকে এই সম্পদৰাজিৰ সদ্ব্যৱহাৰ কৰিব পৰা হোৱা নাই। প্ৰস্তাৱিত চুক্তিখনে অৰ্থনৈতিক উন্নয়নৰ নতুন সুযোগ সৃষ্টি কৰি দুয়োখন ৰাজ্যকে একেলগে কাম কৰাত সহায় কৰিব।

oooooo

নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে অহা ৫ বছৰত প্ৰদান কৰিবলগীয়া ২ লাখ নিযুক্তিৰ ভিতৰত ৪০ শতাংশ নিযুক্তি শিক্ষা খণ্ডত হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি সংবাদ মাধ্যমৰ আগত কয়, যে অনাগত দিনত শিক্ষকতাৰ বাবে ডি এল এ, বি এড আৰু টেট পৰীক্ষাত উত্তীৰ্ণসকলৰ বাবে ভাল খবৰ আহি আছে।

বাইট

স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বেগৰ ওজনক লৈ দীৰ্ঘদিনৰ পৰা চলি অহা আপত্তি-অভিযোগ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে বিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জী এনেদৰে প্ৰস্তুত কৰা হয়, যাতে শিক্ষাৰ্থীয়ে সকলোখিনি কিতাপ স্কুললৈ নিবলগীয়া নহয়। শৈক্ষিক দিনপঞ্জীখন প্ৰতিদিনে কম কিতাপ লৈ যোৱাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰি প্ৰস্তুত কৰা হয় বুলি উল্লেখ কৰি তেওঁ কয়, যে বিদ্যাৰ্থীয়ে প্ৰতিদিনে বেলেগ বেলেগ বিষয়ৰ পাঠ্যপুথি বিদ্যালয়লৈ নিব লাগে। তেওঁ কয়, যে শৈক্ষিক দিনপঞ্জী অনুসৰি যিকেইটা বিষয়ৰ পাঠদান থাকে, সেই কিতাপসমূহহে ছাত্ৰ-ছাত্ৰীয়ে নিব লাগে। শিক্ষাৰ্থীৰ বিদ্যালয়ৰ বেগৰ ওজনৰ ওপৰত নিৰ্ভৰ কৰিয়েই শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ অহা-যোৱাৰ সুবিধাৰ বাবে এতিয়াৰেপৰা নৱম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থীকো একোখনকৈ চাইকেল প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে।

oooooo

শিক্ষা বিভাগে ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা বিদ্যালয়সমূহ একত্ৰীকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শেহতীয়াকৈ শিক্ষাৰ্থীৰ নামভৰ্তি হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত শিক্ষা বিভাগে ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা বিদ্যালয়ক আন বিদ্যালয়ৰ সৈতে সংলগ্ন কৰাৰ সিদ্ধান্ত লৈছে। প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে এই সন্দৰ্ভত সকলো জিলা শিক্ষা বিষয়ালৈ জৰুৰী পত্ৰ প্ৰেৰণ কৰি বিদ্যালয় একত্ৰীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ নিৰ্দেশ দিছে। নিৰ্দেশনাত একত্ৰীকৰণৰ পূৰ্বে শিক্ষা সেতু প'ৰ্টেলত অন্তৰ্ভুক্ত কৰা প্ৰতিখন বিদ্যালয়ৰ অৱস্থা পৰীক্ষা কৰা হ'ব বুলি স্পষ্ট কৰি দিয়া হৈছে। বিশেষকৈ নামভৰ্তিৰ হাৰ, বিদ্যালয় আন্তঃগাঁথনি, আন বিদ্যালয়ৰ পৰা সংশ্লিষ্ট বিদ্যালয়খনৰ দূৰত্ব কিমান আৰু বিদ্যালয়ৰ মাজৰ পথত যান-বাহনৰ চলাচলে শিক্ষাৰ্থীক বিদ্যালয়লৈ অহা-যোৱাত অসুবিধাৰ সৃষ্টি কৰিছে নেকি সেই বিষয়সমূহ পৰীক্ষা কৰি চাবলৈ নিৰ্দেশ দিয়া হৈছে। ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থাকিলেও বিদ্যালয়খন একত্ৰীকৰণৰ বাবে যোগ্য হয়নে নহয়, এই বিষয়টোও চালি-জাৰি চাবলৈ জিলা শিক্ষা বিষয়াসকলক কোৱা হৈছে। প্ৰাথমিক শিক্ষা সঞ্চালকে কম শিক্ষাৰ্থী থকা বিদ্যালয়সমূহৰ তালিকা প্ৰস্তুত কৰিবলৈকো সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। উল্লেখযোগ্য যে ৰাজ্যত বিদ্যালয় একত্ৰীকৰণৰ প্ৰক্ৰিয়াৰে এতিয়ালৈকে দুহেজাৰ ৯০০ খন বিদ্যালয়ক আন বিদ্যালয়ৰ সৈতে সংযোগ কৰা হৈছে।

oooooo

যোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন ৬ জুলাইত আৰম্ভ হ'ব। এই অধিৱেশনত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট উত্থাপন কৰিব। বিত্তমন্ত্ৰীৰ দায়িত্ব গ্ৰহণৰ পাছতে বাজেট প্ৰস্তুতক লৈ তৎপৰ হৈ পৰা শ্ৰী মল্লবৰুৱাই কালি দিছপুৰত এখন প্ৰাক্

বাজেট বৈঠকত অংশ লয়। বৈঠকত বিত্ত বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে বাজেটৰ প্ৰস্তুতি প্ৰধান শিতানসমূহ আৰু ভৱিষ্যত ৰূপৰেখা সম্পৰ্কে মন্ত্ৰীগৰাকীক অৱগত কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে ভৱিষ্যতমুখী বাজেট প্ৰস্তুতৰ লক্ষ্য লৈছে, যাতে ৰাজ্যৰ বিকাশৰ হাৰ বহনক্ষম আৰু উন্নয়নৰ হাৰ ত্বৰান্বিত কৰিবলৈ সমৰ্থ হয়। তেওঁ কয়, যে ৰাইজৰ ওপৰত কৰৰ বোজা নিদিয়াকৈ কেনেকৈ ৰাজহ বৃদ্ধি কৰিব পৰা যায়, সেই বিষয়েও বাজেট প্ৰস্তুতিৰ সময়ত গুৰুত্ব আৰোপ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজহৰ সৈতে জড়িত বিত্ত, বন আৰু খনি বিভাগত লোকচান-অপচয় ৰোধ কৰি ৰাজহ বৃদ্ধিৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব। বন বিভাগৰ ৰাজহ বৃদ্ধি হোৱা উচিত বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মীলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। কালিৰ দিনটোত কেৱল দুজন সাক্ষীৰহে সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। যোৱা বুধবাৰে সময়ৰ অভাৱৰ বাবে সাক্ষ্য প্ৰদান কৰিব নোৱাৰা ৰাজা অসম আৰু বিৰিঞ্চি বৰাই কালি পুৱাৰ ভাগতে আদালতত সাক্ষ্য প্ৰদান কৰে। আদালতত কালি সাক্ষ্য প্ৰদানৰ বাবে অসম জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন নেতা পলাশ ৰঞ্জন বৰুৱা, আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিৎ শৰ্মাৰ লগতে ৰিংকু নাথ আৰু বিষ্ণু শৰ্মা নামৰ লোক দুজন উপস্থিত থাকে যদিও সময়ৰ অভাৱৰ বাবে তেওঁলোকে সাক্ষ্য প্ৰদান কৰিব নোৱাৰিবলে।

০০০০০০

হাড়গিলা বাইদেউ হিচাপে পৰিচিত তথা প্ৰকৃতি সংৰক্ষণবিদ ড° পূৰ্ণিমা দেৱী বৰ্মনক ২০২৬ বৰ্ষৰ WAY FINDER বঁটাৰ বাবে মনোনীত কৰা হৈছে। বিলুপ্তপ্ৰায় হাড়গিলা চৰাই সংৰক্ষণৰ ক্ষেত্ৰত লোৱা অগ্ৰণী ভূমিকাৰ স্বীকৃতি স্বৰূপে ড° বৰ্মনক নেচনেল জিঅ'গ্ৰাফিক ছ'চাইটি আৰু কিয়াই যৌথভাৱে প্ৰদান কৰা এই বঁটাৰ বাবে বাছনি কৰা হৈছে। নেচনেল জিঅ'গ্ৰাফিক ছ'চাইটিয়ে প্ৰকাশ কৰা টোকাত ড° পূৰ্ণিমা দেৱী বৰ্মনৰ স্বীকৃতিয়ে প্ৰকৃতিৰ প্ৰতি দয়ালু সৰ্বাংগীন আৰু সন্মানীয় সমূহীয়া প্ৰচেষ্টাৰ পৰিৱৰ্তনশীল শক্তি সুদৃঢ় কৰি তুলিছে বুলি উল্লেখ কৰা হৈছে। সমগ্ৰ বিশ্বত জৈৱ বৈচিত্ৰ্যৰ প্ৰতি ক্ৰমান্বয়ে  ভাবুকি অহাৰ সময়ত ড° দেৱীয়ে ২০ হাজাৰৰো অধিক মহিলাক লৈ গঠন কৰা হাড়গিলা আৰ্মীয়ে মানৱ বন্যপ্ৰাণীৰ সহৰস্থানৰ আশাব্যঞ্জক আৰ্হি হিচাপে আত্মপ্ৰকাশ কৰা বুলি টোকাটোত উল্লেখ কৰা হৈছে। অহা দেওবাৰৰ পৰা বৃহস্পতিবাৰলৈ আমেৰিকাৰ ৱাশ্বিংটন ডিচিত হ'বলগীয়া অনুষ্ঠানত ড° পূৰ্ণিমা দেৱী বৰ্মনৰ লগতে অন্য ১৪ গৰাকী লোকক সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা সেৱাৰ বাবে এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০০

ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে কালি জিলাখনৰ ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চল পৰিদৰ্শন কৰি সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে সীমান্তৱৰ্তী ভোগদাংগা গাঁৱৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ পূৰণৰ আশ্বাস দিয়ে।  শ্ৰী সিংহলে বি এছ্‌ এফৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকতো মিলিত হয়। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে কালি ধুবুৰী আৱৰ্ত ভৱনৰ সভাকক্ষত বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ জিলাখনত ৰূপায়ণ হৈ থকা জনকল্যাণমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লয়। শ্ৰী সিংহলে ধুবুৰীৰ ঐতিহাসিক গুৰুদ্বাৰ গুৰু টেগ বাহাদুৰ ছাহেবজিত সেৱা জনায় জনসাধাৰণৰ মংগল কামনা কৰে।

০০০০০০

আকাশবাণী বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত অসমত শান্তিচুক্তিৰ এটা দশক শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেন

চন্দ্ৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড০ জয়ন্ত কৃষ্ণ শৰ্মা, ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো, প্ৰাক্তন মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংবাদিক সঞ্জু বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

মেক্সিকোত আটকধুনীয়া উদ্বোধনী অনুষ্ঠানেৰে যোৱা নিশা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ হয়। এজ্‌টেকা ষ্টেডিয়ামত অনুষ্ঠিত উদ্বোধনী খেলত সহ আয়োজক দেশ মেক্সিকোৱে দক্ষিণ আফ্ৰিকাক ২-০ গ'লত পৰাস্ত কৰে। মেক্সিকোৰ হৈ জুলিয়ন কিউন'স্নে খেলৰ ন মিনিটত গ'ল দি দলক অগ্ৰগতি প্ৰদান কৰে। পাছত ৰাউল জিমেনেজে ৬৭ মিনিটত দিয়া গলেৰে মেক্সিকোৱে ২-০ গ'লৰ অগ্ৰগতি লাভ কৰে।

ইয়াৰ পূৰ্বে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত সংগীত আৰু সংস্কৃতিৰ সমাহাৰ দেখিবলৈ পোৱা যায়। অনুষ্ঠানত ছাকিৰা আৰু ৰ্বনা বয়ে প্ৰতিযোগিতাৰ আনুষ্ঠানিক গীত দাই-দাই পৰিৱেশন কৰে। অনুষ্ঠানত মেক্সিকোৰ সংগীত জগতৰ আগশাৰীৰ শিল্পী এলেজান্দ্ৰ' ফাৰ্নানডেজ, লীলা ডাউনছ, বেলিণ্ডা আৰু অন্যান্যসকলে অনুষ্ঠান পৰিৱেশন কৰে।

প্ৰতিযোগিতাত আজি ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত কানাডা বছনিয়াৰ বিৰুদ্ধে আৱতীৰ্ণ হ'ব। কাইলৈ পুৱা চাৰে ছয় বজাত হ'বলগীয়া আন এখন খেলত আমেৰিকা, পেৰাগুৱেৰ বিৰুদ্ধে আৱতীৰ্ণ হ'ব।

০০০০০০

## News Paper Rev./RNU (12-6-26) Morn

গুৱাহাটীৰ পৰা প্ৰকাশিত আজিৰ দৈনিক বাতৰিৰ কাকত সমূহে বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ, দুহেজাৰ চৌবিছ পঁচিছ বৰ্ষৰ সংগীত নাটক একাডেমী বঁটা ঘোষণা, ওমান উপকূলত ভাৰতীয় জাহাজত আমেৰিকাৰ আক্ৰমণৰ ফলত তিনিজন নাবিক নিহত আদি ভিন ভিন বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অসম কাকতৰ শিৰোনাম বীজ নিগমৰ সঞ্চালক বিপুল দাসৰ নেতৃত্বত কেলেংকাৰী-কৃষিত জালিয়াতিৰে ছশ তিৰাশী কোটি লুণ্ঠন। দৈনিক অগ্ৰদূত কাকতে, পুনৰ সহস্ৰাধিক বিদ্যালয় বন্ধৰ যোজা শিৰোনামেৰে চৰকাৰ গঠন কৰিয়েই শিক্ষা বিভাগৰ তৎপৰতাৰ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে । অসমীয়া প্ৰতিদিন কাকতে চাকিৰাৰ চমকেৰে আৰম্ভ হ'ল বিশ্বকাপ শিৰোনামেৰে আলোকচিত্ৰসহ বিস্তৃত বাতৰি পৰিৱেশন কৰিছে। নতুন দিল্লীত ত্ৰিপাক্ষিক চুক্তি শিৰোনামেৰে দৈনিক জনভূমিকাকতে, নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত তেল আৰু প্ৰাকৃতিক গেছ অন্বেষণ আৰু উৎপাদনলৈ সেউজ সংকেতৰ বাতৰি আজিৰ প্ৰধান বাতৰি হিচাপে পৰিৱেশন কৰিছে। আমাৰ অসম কাকতে নীতি আয়োগৰ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বত মন্দা অৱস্থাৰ সময়ত ভাৰত আগবাঢ়িছে বুলি কৰা মন্তব্যক অন্যতম গুৰুত্বপূৰ্ণ বাতৰি হিচাপে প্ৰকাশ কৰিছে। ডি আছাম ট্ৰিবিউন কাকত খনে গহপুৰৰ পৰা নুমলীগড়লৈ পানীৰ তলেৰে নিৰ্মাণ কৰিবলগীয়া প্ৰস্তাৱিত সুৰংগই ভ্ৰমণৰ দূৰত্ব পঁচাশী শতাংশ হ্ৰাস কৰাৰ সম্ভাৱনা এটা বাতৰি তথ্য সহকাৰে প্ৰকাশ কৰিছে। দা চেণ্টিনেল কাকতে ষোড়শ অসম বিধানসভাৰ প্ৰথমখন বাজেট অধিৱেশন অহা ছয় জুলাইত অনুষ্ঠিত হোৱাৰ

এটা বাতৰি প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে কৰ্কট, গেছট্ৰিক সহ ৮২বিধ ঔষধৰ দাম বৃদ্ধিৰ এটা বাতৰি বক্স নিউজ হিচাবে প্ৰকাশ কৰিছে।

০০০০০০

ওদালগুৰি জিলাৰ শুক্লাই নিবাসী বিশিষ্ট সমাজকৰ্মী ইন্দ্ৰ শৰ্মা শিৱাকোটিৰ কালি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। শুক্লাইখুটি প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা ইন্দ্ৰ শৰ্মাই অঞ্চলটোৰ কেইবাটাও সংঘ, সমবায় সমিতি আৰু শৈক্ষিক প্ৰতিষ্ঠান স্থাপন সৈতে জড়িত আছিল। ভাষা আন্দোলনত ওতঃপ্ৰোতভাৱে জড়িত ব্যক্তিগৰাকীয়ে ওদালগুৰি জিলাৰ ভূটান সীমান্তত অসম গণ পৰিষদ দলৰ ভেটি শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ বি পি এফ দলৰ সৈতে জড়িত হৈ বহু সামাজিক কাম কৰিছিল। তেওঁৰ মৃত্যুত অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতি, নেপালী সাহিত্য সভা, শুক্লাই প্ৰাথমিক শিক্ষক সন্মিলনকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

*ঃঃ সমাপ্ত ঃঃ*